

পৰিশিষ্ট

অজামিল উপাখ্যান

প্ৰথম কীৰ্ত্তন

ঘোষা : জয় জগন্নাথ অনাথ বন্ধু মাধৱ মুকুন্দ ৰাম।।

পদ : হৰিৰ নামৰ সুনিয়ো মহিমা
সাৱধান কৰি চিত্ত।
অজামিল নামে আচিল ব্ৰাহ্মান
বেস্যাত হুয়া পতিত।।
বিপ্ৰৰ ঔৰসে বেস্যাৰ গৰ্ভত
দস পুত্ৰ জাত ভৈল।
আতি দায়াতৰে কনিষ্ঠ পুত্ৰৰ
নাৰায়ণ নাম থৈল।। ১
জাতিকুল কৃয়া সমস্তে ত্যাগিল
মিলিল কৰ্ম্ম বিপাক।
জত মহাপাপ সমস্তে সিঝিল
পোসন্তে পুত্ৰ ভাৰ্যাক।।
অনেক অধৰ্ম্ম কৰন্তে বিপ্ৰৰ
আয়ু ভৈল সমাপত।
ভয়ঙ্কৰ তিনি গোটা যমদুত
আগে ভৈল উপগত।। ২
হাতে পাস জড়ি চক্ষু ওঁড় কৰি
থুলন্তৰ তাৰ জাঙ্গ।
কৃষ্ণ বৰ্ন্ন কাই দেখি ধাতু জাই
হাতত লোহাৰ ডাঙ্গ।।
ব্ৰাহ্মনক ধৰি জিৱ বাঝ কৰি
বান্ধিলেক হাত তুলি।
ভয়ে অজামিলে পুত্ৰক ডাকিল
আইস নাৰায়ণ বুলি।। ৩
মৰন্তে বিপ্ৰৰ মুখত সুনিয়া
হৰিৰ কিৰ্ত্তন বানি।
প্ৰভু নাম লৱৈ বুলি খেদি আইল
বিষ্ণুদুত চাৰি প্ৰানি।।
যমৰ দুতক খেদায়া বিপ্ৰৰ
কাটিল বান্ধ হাতৰ।
কোন তুমি সব বুলিয়া সোধয়
ডৰিয়া জম কিঙ্কৰ।। ৪

সবাৰো সুন্দৰ স্যাম কলেৱৰ
পিত বস্ত্রে আতি ৰঞ্জে।
চাৰিৰো প্রসন্ন বদন মণ্ডল
পুর্ন্ন চন্দ্রমাকো গঞ্জে।।
পদ্ম পত্র সম আয়ত লোচন
ভ্রূব যুগে কৰৈ কান্তি।
নাসা তিলফুল অধৰ ৰাতুল
দশন মুকুতা পান্তি।। ৫
সিৰত ৰত্নৰ কিৰিটি কর্ন্নত
মকৰ কুণ্ডল জলে।
চাৰিৰো আজানু লম্বিত পদ্মৰ
মালা সোভা কৰৈ গলে।।
হিয়াত বিচিত্র ৰত্নে বিৰচিত
গজ মুকুতাৰ হাৰ।
চাৰু চতুর্ভুজ কেয়ুৰ কঙ্কন
কৰৈ আতি জাতিস্কাৰ।। ৬
সঙ্খ চক্র গদা পদ্ম সাৰেং ধনু
সবে ধৰি আচা হাতে।
ৰত্নৰ মেখলা কটি মাঝে জলৈ
সোনাৰ কিঙ্কিনি তাতে।।
কৰিকৰ সম উৰু নিৰুপম
পাৱ নৱ পদ্মকোস।
সমান বয়স চাৰিকো দেখন্তে
মনত মিলৈ সন্তোষ।। ৭
সুর্য সম সবে জলন্তে আচাহা
সমস্ত দিস প্রকাসি।
মহাপাপি ইতো বিপ্রক নেহন্তে
কিসক বাধিলা আসি।।
হেন সুনি হাসি চাৰি বিষ্টু দুতে
দিলন্ত পাচে উত্তৰ।
কোন পাপ পুন্য একো নজানস
সুন ৰে জম কিঙ্কৰ।। ৮
মাৰিবাৰ বেলা ইতো অজামিলে
নাৰায়ন নাম লৈল।
কোটি জনমৰ জত মহাপাপ
তাৰো প্রায়চিত্ত ভৈল।।
ব্রহ্ম বধ পিত্রি বধ সুৰাপান
অগম্যাগমন কৰৈ।

গৰু তিৰি মাৰৈ সুবৰ্ন্নক হৰৈ
মিত্রৰ দ্রোহ আচৰৈ।। ৯
সংসাৰত জত আনো অসংখ্যাত
আচৈ মহাপাপি গণ।
সবাৰো এহিসে মুখ্য প্রায়চিত্ত
হৰিৰ নাম কির্ত্তন।।
মাধৱৰো মতি হোৱৈ তাক প্রতি
জি ফুৰৈ নাম সুমৰি।
ইতো মোৰ দায নচাড়ন্ত পাস
ৰাখিয়া ফুৰন্ত হৰি।। ১০

দ্বিতীয় কীর্ত্তন

ঘোষা : তাৰিয়া নিয়ো নাথ নাৰায়ন
চৰণে সৰণ লৈলো।
তোহ্মাত ভকতি নকৰি কৃপাল
জনম বিফল কৈলো।।

পদ : হৰিৰ কির্ত্তনে মহাপাতকক
জিমতে কৰৈ নির্যান।
আন প্রায়চিত্তে পবিত্র কৰিবে
নুৱাৰৈ তাৰ সমান।।
জিতো পাতকৰ প্রায়চিত্ত কৰৈ
দুনাই তাতে মন মজৈ।
চিত্তৰ সোধন হৰিৰ কির্ত্তন
পাপৰ আলু উভঞ্জে।। ১১
পুত্র নাম ধৰি উপহাস্য কৰি
হেলাতো জি বোলৈ হৰি।
তাহাৰো সমস্ত পাতক দহৰৈ
জানা আক নিষ্ট কৰি।।
পড়ে বা পিচলে সর্প্পে বা দংসই
জৰে তাপে পিড়া কৰৈ।
এতেকেতে জদি হৰি নাম লৰৈ
জম জাতনাক তৰৈ।। ১২
হৰিনামে সবে পাতেক দহৰৈ
জ্ঞানে বা অজ্ঞানে বোলৈ।
জেন হুতাসনে সুখান কাষ্টক
আতি অপ্রয়াসে পোলৈ।।

প্রমাদত থাকি জিতো হৰি বোলৈ
সিয়ো সব দুখ তৰৈ।
জেন মহোসুধি নজানি ভুঞ্জিলে
তাৰো গর্ভৰোগ হৰৈ।। ১৩
প্রভুৰ নামৰ অনন্ত মহিমা
কতেক কহিবো আমি।
হেন হৰিনাম লৈলেৱো বান্ধস
কিনো তোৰা অধোগামি।।
ব্রাহ্মনক এড়ি প্রান ৰক্ষা কৰি
সত্বৰে ঐৰ অন্তৰ।
সুনি দুতচয় হুয়া মহাভয়
পসিল জমনগৰ।। ১৪
নাৰায়ন নাম বুলিবৰ ফলে
নিস্তৰিল অজামিল।
বিষ্টুক চিন্তিয়া চতুর্ভুজ ৰূপে
বৈকুণ্ঠত আৰোহিল।।
পাচে দুতগণে যমৰ আগত
দুখ সাখি দেই কান্দি।
কৈৰ চাৰিসিদ্ধে আসি কাঢ়ি লৈলে
পাপিক আনন্তে বান্ধি।। ১৫
সিতো অজামিলে বুলিলেক মাত্র
আইস পুত্র নাৰায়ণ।
এতেকতে আসি কাঢ়িয়া লৈলেক
তজু আজ্ঞা কৰি ছন।।
আম্মাৰ পড়য়া কাঢ়িয়া লৈবেক
কৈত অধিকাৰি আছে।
হেন সুনি জমে বিষ্টুক স্বৰিয়া
দুতক মাতিলে পাছে।। ১৬
সুনা দুতগণ প্রভু নাৰায়ন
আচন্ত জগত স্বামি।
জাহাৰ আজ্ঞাক সিৰত ধৰিয়া
প্রজাক নিয়মো আমি।।
তানে দুতচয় সদায়ে ভ্রময়
বৈষ্টৱক ৰক্ষা কৰি।
মাধৱৰ বেস ভুসনে ভুসিত
হাতে চাৰি অস্ত্র ধৰি।। ১৭
দেৱ ঋষি নৰ সিদ্ধ বিদ্যাধৰ
অসুৰ চাৰনগনে।

হৰিৰ নামৰ গোপ্য মহিমাক
তেসম্বো কেহো নজানে।।
ব্রহ্মা মনু হৰ কপিল কুমৰ
সুক ভিস্ম বলিৰাই।
প্রহ্লাদ নাৰদ জনক আমিসি
বাহুজন সমুদাই।। ১৮
পৰম গুপুত হৰিনাম ধর্ম্ম
জানি আচো সুদ্ধভাৱে।
জাক আচৰিলে ঠাৱতে বসিয়া
দুল্লভ মোক্ষক পাৱে।।
হৰিত ভকতি কৰে সর্ব্বদায়ে
কৰিয়া কীর্ত্তন কর্ম্ম।
মনুস্য লোকত এহিমানে মাত্র
পুৰুষৰ শ্রেষ্ঠ ধর্ম্ম।। ১৯
হৰিনাম ধর্ম্ম স্মৰণ মহিমা
দেখিয়ো দুত সম্প্রতি।
পাপি অজামিলে নাৰায়ন বুলি
পাইলে কেন সদ গতি।।
হেন বিমৰিসি জিতো জ্ঞানিগনে
ফুৰে হৰিনাম গাই।
কুল উদ্ধাৰিল আপুনো তৰিল
এড়াইল আত্মাৰ দাই।। ২০

তৃতীয় কীর্ত্তন

ঘোষা : হৰিবোল হৰিবোল আহে লোকাই
হৰি বিনে নাই গতি।।

পদ : হৰিৰ চৰন চিন্তিয়া বেড়াৰৈ
হৰি নাম লৰৈ ডাকি।
সিদ্ধ মুনি গনে তাৰ জস গাৰৈ
প্রসংসৈ স্বর্গত থাকি।।
মাধৱৰ আসি কৌমুদকি গদা
ৰক্ষা কৰি ফুৰৈ তাক।
তাহাৰ ওচৰ নচাপিবি কেহো
দুতগন মোৰ হাক।। ২১
বৈষ্টৱক দেখি অন্তৰি পলাইবি
ভয়ে চপৰাইবি মুণ্ড।
নুহি মাধৱৰ গদাৰ কোবত
হৈবেক হাড় খুখুণ্ড।।

কিৰ্ত্তনৰ ধ্বনি জি থানত সুনি
তাৰ নচাপিবি পাস।
বিষ্টু দুত চয় তথাতে থাকয়
কৰিবেক সৰ্ব্বনাশ।। ২২
জাহাৰ জিবায়ে নোবোলৈ বিষ্টুৰ
গুন নাম সৰ্ব্বক্ষন।
জি জনৰ মনে হৃদয় পদ্মত
নিচিন্তে কৃষ্ণ চৰণ।।
জি জনৰ সিৰে নকৰৈ প্রনাম
কৃষ্ণৰ পদ কমলে।
তাত মোৰ দায় নেড়িবি সদায়
বান্ধি আন হাতে গলে।। ২৩
হৰি চৰনত সদায়ে বিমুখ
নুসুনৈ কৃষ্ণৰ কথা।
মাধৱৰ একো কৃত্য নকৰয়
শ্রম কৰি ফুৰৈ বৃথা।।
কৃষ্ণৰ কিৰ্ত্তন নকৰি থাকয়
আনসে কথা চোবাই।
সিতো পাপিষ্টক ঝাণ্টে বান্ধি আন
লোহাৰ ডাঙ্গে কোবাই।। ২৪
নৰকৰ পথ ইতো গৃহবাস
আতেসে জাহাৰ ৰতি।
ভার্যাক পুত্রক পুসিবে জতনে
এড়ে তৃজগত পতি।।
বিষ্টুৰ চৰণ নিচিন্তি সদায়ে
ধনকেসে কৰে ধ্যান।
সিতো পাতকিক সুধিব নলাগে
জাতনাক লাগি আন।। ২৫
কৃষ্ণ কথা এড়ি সাতে পাঞ্চে বেড়ি
আন কথা কৈই থাকে।
অমৃতক তেজি জেন বিষ্টা ভুঞ্জে
গাড়ি সুকৰৰ ঝাকে।।
সিতো পাপিসব দৈবে ভৈল হত
চিন্তে আপুনাৰ মাৰ।
উপঝি মৰিবে জাতনা ভুঞ্জিবে
নাহিকৈ তাৰ নিস্তাৰ।। ২৬
বিষ্টুৰ নামৰ মহিমা সুনয়া
দুতগন গৈল ডৰি।

হৰি ভকতক দেখিবাক লাগি
ডৰাই সেহি দিনা ধৰি।।
সুক নিগদতি সুনা কুৰুপতি
কহিলো পৰম সাৰ।
হৰি নাম বিনা পাপ সাগৰত
কাহাৰো নাহি নিস্তাৰ।২৭
মহাযোগি গনো ব্রহ্ম চিন্তে জদি
হৰিৰ নাম নলৱৈ।
সিয়ো ভ্রষ্ট হুয়া সংসাৰত পড়ে
চাৰিবেদে হেন কৱৈ।।
ধর্ম্ম অর্থ কাম জিতো অভিলাসে
জি চাৰৈ মোক্ষৰ পথ।
সিয়ো হৰি নাম কির্ত্তন কৰিসি
পাৱৈ সবে মনোৰথ।। ২৮
নামৰ মহিমা নজানি ঋষিয়ে
আন প্রায়চিত্ত বিয়ৈ।
মৃত্যু সঞ্জিয়নি নজানিয়া বৈদ্যে
আন ঔষধক দিয়ৈ।।
জগতৰে মোক্ষ হৈবেক বুলিয়া
জানিয়া ইতো নকৱৈ।
সংসাৰ দুর্ল্লভ হেন হৰিনাম
হেলাতে কতো নলৱৈ।। ২৯
হৰিৰ নামৰ গোপ্য মহিমাক
পূর্ব্বত আগস্তি ঋসি।
মলয়া গিৰিত বিষ্টুক অর্চ্চন্তে
কহিলা মোত হৰিসি।।
নাহি কাল দেস নিয়ম ইহাত
ঔসচতো নাহি দোস।
সয়নে ভোজনে সদা হৰি বোলা
এড়িয়া আন আক্রোস।।৩০
হৰি হেন ইতো দুগুটি অক্ষৰ
জিহ্বা আগ্রে থাকে জাৰ।
গঙ্গা গয়া কাশি প্রয়াগ সেতুক
জাইবাক নলাগৈ তাৰ।।
কৃষ্ণৰ কিঙ্করে ভনিলা শঙ্করে
এড়া সবে আন কাম।
আল জাল এড়ি পাপক সংহৰি
ডাকি বোলা ৰাম ৰাম।। ৩১

চতুর্থ কীর্ত্তন

ঘোষা : জয় নিৰঞ্জন পাতক ভঞ্জন মাধৰ মুকুন্দ ৰাম।।

পদ : পৰম মঙ্গল হৰিনাম ধর্ম্ম
জাহাৰ থাকৈ মুখত।
তাৰ তেতিখনে ভস্ম হুয়া জাই
মহাপাপ কোটিসত।।
তাৰদেকে মহা পাতক হস্তিৰ
থাকৈ মহাগর্ব্ব মদ।
জাৰে ৰাম নাম প্রমত্ত সিংহৰ
òåÅò ñÃò üÆðÃ¼২
ৰাম হেন ইতো দুগুটি অক্ষৰ
সদায়ে আদৰে গাৰৈ।
সংসাৰ সাগৰ তৰি সিতো নৰে
দুর্ল্লভ মুক্ষক পাৰৈ।।
হুইবে মলমতি লোকৰ নিচ্চয়
গুচিবে সবে আচাৰ।
কলি জুগে আৰ অন্যত্র ধর্ম্মত
কাৰো নাহি অধিকাৰ।।৩৩
আন ধর্ম্ম এড়ি হৰিনাম ৰড়ি
সুখে পাৰৈ যেন গতি।
অনেক প্রবন্ধে সমস্ত ধার্ম্মিকো
নপাৰৈ তাক সম্প্রতি।।
সদায় বিষ্টুক স্মৰিয়ো ক্ষেনেকো
নপাসৰিবাহা নৰ।
জত মহাপাপ জত মহাপুন্য
ইদুইৰ সবে কিঙ্কৰ।।৩৪
দোসৰ নিধান কলি জুগ আত
এক মহাগুন আছে।
কেৱল কির্ত্তনে সংসাৰৰ বন্ধ
এড়াই মোক্ষ পাৰৈ পাছে।।
হৰিৰ নামেসে নামেসে নামেসে
জিৱন আবে আন্মাৰ।
কলি জুগে আন গতি নাই নাই
নাই জানা সাৰেসাৰ।।৩৫
আউৰ বেদাগম বিস্তৰ সাস্ত্রত
নাহি কিচু প্রয়োজন।
ধর্ম্মক আসায়ে অনেক তির্থক
কি কার্যে কৰা গমন।।

জদি অভিলাস কৰা সৰ্ব্বজন
আপোন মোক্ষ কাৰণ।
গোবিন্দ গোবিন্দ বুলিয়া বেকতে
কৰিয়ো হৰি কিৰ্ত্তন।।৩৬
ইতো হৰিনামে লোকৰ জতেক
পাতেক নির্যান কৰে।
ততেক পাতেক প্রবন্ধে কৰিবে
নুৱাৰৈ পাতকি নৰে।।
ব্রহ্মচাৰি গৃহ বাসি বনবাসি
সন্যাসি জতেক জতি।
হৰিৰ কিৰ্ত্তন এড়ি কেহো নৰে
নপাৱৈ পৰম গতি।।৩৭
সূর্য গ্রহনত এক কোটি ধেনু
ব্রাহ্মনক দেই দান।
প্রয়াগ গঙ্গাৰ জলত নিবাস
কৰৈ দস কল্পমান।।
অযুতেক জজ্ঞ কৰৈ মেৰুসম
সুবর্ন্নক দেই দান।
একসত ভাগো গোবিন্দ নামৰ
ৰেনুকো নুহি সমান।।৩৮
হৰি হেন ইতো দুগুটি অক্ষৰ
উচাৰিলে একবাৰ।
মোক্ষৰ পথক জাইবাক লাগিয়া
সিয়ো ভৈল কাচ পাৰ।।
হৰিৰ নামৰ সমস্তে মহিমা
কহিবে কাৰ সকতি।
জদি চাৰিমুখে ব্রহ্মায়ো কহন্ত
তভো নুহি সমাপতি।।৩৯
কৃষ্ণৰ কিঙ্করে ভনিলা সঙ্করে
সুনিয়োক সৰ্ব্বজন।
হেন জানি আন আল জাল এড়ি
কৰিয়ো হৰি কিৰ্ত্তন।।
কোন দিনা ইতো সৰিৰ পড়য়
কেতিখনে নেই জম।
আউৰ কি সেন্থৰে ভাৰত ভুমিত
হুইবাহা মানুষ জন্ম।।৪০
কৌটি কৌটি জন্ম অন্তৰে জাহাৰ
আচৈ মহাপুণ্য ৰাসি।

সিষি কদাচিত মনষ্য হোৱয়
ভাৰত ৰিসে আসি।।
দেৱৰো দুল্লভ ইহেন জন্মক
ব্যেৰ্থ কৰা কোন কামে।
গৃহতে থাকিয়া হৰিক স্ৰৰিয়া
মোক্ষ সাধা হৰিনামে।। ৪১
কৌটি একৰাজ সুই অস্বমেধ
জজ্ঞে আক নুহি সৰি।
হেন হৰি নাম নলৈয়া হেলাত
মৰৈ আত্মাঘাত কৰি।।
হেন বেদ বানি তত্ত হেন জানি
আসনতে সুখে থাকি।
আপুনাকো তাৰা পুৰুস উদ্ধাৰা
হৰি হৰি বোলা ডাকি।। ৪২

অজামিল উপাখ্যান সমাপ্ত

*(টোকা ঃ কীৰ্ত্তন-ঘোষাৰ এই পাঠখিনি নাৰায়ণ চন্দ্র গোস্বামীৰ সম্পাদনাত গুৱাহাটীৰ ষ্টুডেণ্টচ্ ষ্ট'ৰচ্-এ প্রকাশ কৰা **কীৰ্ত্তন-ঘোষা আৰু নামঘোষা** (দ্বিতীয় প্রকাশ ঃ 2001)ৰ পৰা চয়ন কৰা হৈছে। আখৰ-জোঁটনিও এই সংকলনখনৰ মতেই ৰখা হৈছে।)*

*** ***** ***

স্বৰ্গাৰোহণ

লক্ষ্মীনাথ বেজবৰুৱা

চ'তৰ "বাৰে খৰ" অসমত ন কথা নহয়। ইবাৰ খৰত অসমীয়া মানুহ চৈধ্য পুৰুষৰ পৰা খৰ্ খৰীয়া হৈ শুকাই আহিছে। কিন্তু পকা-আঙ্গঠা যেন এই বাৰ চৈধ্যটা দিন অসমীয়াই ৰঙালী ন বহাগৰ ন পানীৰ আশাত চকু-মুৰ মুদি যেনে তেনে মতে কটায়। বহাগৰ ন ৰৰষুণ গাত পৰিলেই অসমৰ পুথি-খলিহাই সেন্দুৰ পিন্ধি নাচোন-বাগোন ধৰে; আৰু লগে লগে ল'ৰা ছোৱালী ডেকা গাভৰু বুঢ়া বুঢ়ীয়েও সেন্দুৰীয়া হৈ আপোন অৱস্থানুযায়ী যথা-বিহিত ৰং-ধেমালি কৰে। আমি কবি হোৱাঁ হলে এইখিনিতে আমগছ নাহৰ গছৰ নতুন কুঁহিপাত, ৰিব্ ৰিব্ কৰে বোৱা মলয়া বতাহ, কুলিৰ সুললিত কু-উ কু-উ আৰু ৰঙালী বহাগৰ বিহুৰ ৰং-ধেমালি আদি সুৱলা ভাবৰ কথাৰ ৰহণ সানি বর্ণাই নিদিয়াকৈ কেতিয়াও নেৰিলোহেঁতেন! কিন্তু ! - দুখৰ কথা কিন্তুতেই অন্ত কৰা ভাল! আমি কবিত্ব কৰিবলৈ গলে, নির্ব্বলীৰ পৰা কাণ মলাটো, বলীৰ পৰা বাঘ-ঢকাটো, আৰু বলী নির্ব্বলাৰ মাজতে যি তেওঁৰ পৰা খকৰা মুকুটিটো খাব লাগিব। "লাইচেন্স" পোৱা বা "পট্টাদাৰ" কবিয়ে 'আমৰ মল" আৰু "নাহৰৰ' কুঁহিপাত বুলি উকা কৈ বর্ণাই গলেও পাৰ পাই যাব; কিন্তু আমি "অকবি" মলমতিৰ মুখত আমৰ মল আৰু নাহৰৰ সলনি "আম্র মুকুল" আৰু "নাগেশ্বৰ" শব্দ সাজ পাৰ পিন্ধি ওলালেও, বিনা সোধে বিনা আপিলে আমাৰ ৫০্ টকা জৰিমনা নহৈ নেযায়।

কলিকতাত চ'তৰ বাৰ খৰ বুলি কথা এটা নাই। বাৰ খৰৰ ঠাইত ছত্রিশ খৰ বুলিলেও কলিৰ চহৰ কলিকতাৰ ৰদৰ যথোচিত সন্মান ৰক্ষা কৰি নামাকৰণ কৰা নহয়। চ'তৰ কলিকতাৰ দিনত তো জুয়েই, ৰাতিও জুহাল। এনে চ'ত মহীয়া এনিশাত, শোৱনীঘৰত শুব নোৱাৰি ভালকৈ বা-বলা বাহিৰৰ চৰাঘৰত আহি শুবৰ আয়োজন কৰা গল। উপজিবৰে পৰা এই বয়সলৈকে টোপনিৰ আশয় পাব নোৱাৰিলো। কেতিয়াবা নেমাতিলেও আহি টোপনিয়ে ধৰে, কেতিয়াবা আহিবলৈ কুতুৰি মাতি থাকিলেও টোপনিৰে সৈতে দেখা সাক্ষাৎ নহয়। আমাৰ সময় অসময়ৰ সুবিধা অসুবিধা বুজা অভ্যাস টোপনিৰ সমূলি নাই। সংক্ষেপতে কবলৈ গলে টোপনিৰে সৈতে আমাৰ সম্বন্ধটো প্রণয় বা সদ্ভাবৰ সম্বন্ধ নহয়, "মামলা-মোকর্দ্দমা"

বা 'গোচৰ-ফৰিয়াদৰ" সম্বন্ধ। আদালতত গোচৰ কৰি বিবাহিতা তিৰোতা "ডিক্রি" পাই সেই তিৰোতাৰে সৈতে কৰা গৃহবাস যেনে, নাহোঁ বুলিলে, কানি-ভাং-ফটিকাৰ আদালতত ডিক্রি পাই অনা টোপনিৰে সৈতে কৰা গৃহবাসো তেনে।

শোৱা পাটীত পৰি বাট চাই আছোঁ, টোপনি আহিব, টোপনি আহিব —টোপনি নাই। "মোৰ সোণ, মোৰ মইনা টোপনি আহাঁ, কাৰৌ কৈ মাতিছোঁ" টোপনিৰ গায়েই নলৰে। হাঠাৎ মনত পৰিল, তাহানি ছাতৰ অৱস্থাত পঢ়িবলৈ কিতাপ মেলিলেই টোপনিয়ে দেখোঁ হেচা মাৰি ধৰেহি, এতিয়াও সেই বুধি নকৰোঁ কিয়? উঠি চাকিটো বঢ়াই দি কিতাপ এটা মেলি ললো। হায়! সেই ৰামো গল, অযোধ্যাপুৰীও গল। সেই সুখৰ ছাতবীয়া টোপনি আৰু নাই। কিতাপ মেলিলেই যে টোপনি আহে এই কথাত সেই কালৰ মোৰ এনে ডাঠ বিশ্বাস আছিল যে কোনো বয়সীয়া মানুহক টোপনি নাহে বুলি কবৰ শুনিলে কিতাপ মেলি লবলৈ পৰামৰ্শ দিছিলো; আৰু নিদ্রাশূন্য দুৰ্ভগীয়া সৰ্ব্বসাধাৰণৰ উপকাৰৰ অৰ্থে "টোপনি অহাৰ অব্যৰ্থ ঔষধ" নাম দি এই বুধিটো বাতৰি কাকতত জাননী দি দিওঁ বুলি কেইবা বাৰো গভীৰ ভাৱে ভাবিছিলো, কাৰ্য্যবশতঃ সি জানিবা হৈ নুঠিল, গতিকে মোৰ জাননীৰ খৰচৰ পইচা কেটাও ৰাহি হল। কিতাপ জপাই চাকিটো নুমাই আকৌ একাগ্রচিত্তে টোপনিৰ তপস্যাত লাগি গলো। ঘড়ীত টংটং কৰে তিনি বাজিল। অনেক ভাবনা—ডাকিনী চিন্তা-যোগিনী আহিল, কিন্তু টোপনি দেবী নাহিল। এই পৃথিৱীৰ ওপৰত বৰ বিৰক্তি ধৰিলে। ভাবিলো এই পৃথিৱীত সুখৰ লেশমাত্র নাই; যিমান শীঘ্রে এই দুখৰ পৃথিৱী এৰি যোৱা যায় সিমান মঙ্গল। আজি কালিৰ আমি উঠি অহা ডেকাই যতে যিহতে, আপোন দোষতে বা পৰৰ দোষতে, ঠেকা খাওঁ, বিৰক্তিটো ধৰেহি এই পৃথিৱীখনৰ ওপৰত। ওপৰ-চকুৰা হৈ বাটত উজুটি খাই আমাৰ আঙ্গুলিৰ আগ ছিগিল, জগৰ লাগিল এই পৃথিৱীৰ গাত। আমাৰ পিঠি-ঢেকিত মহে খালে, ফৰ্ ফৰণি উঠিল আহি এই উড়াল পৃথিৱীৰ গাত। আকাশৰ তৰাটো হাত মেলি ঢুকি নেপালো, দায় পৰিল এই পৃথিৱীৰ গাত। খৰি ভাৰীৰ লৰা বা খৰি-ভাৰী হৈ ৰজাৰ জীয়াৰীক বিয়া কৰাবৰ মন গৈছিল, কৰাব নোৱাৰিলো, দোষ দিলো এই ঘৃণীয়া পৃথিৱীৰ গাত, আৰু ৰাজ-কন্যাৰ উদ্দেশ্যে আত্মহত্যা কৰি এই পৃথিৱীৰ ওপৰত খং সাৰিলো। এই প্রচলিত প্রথা অনুসৰণ কৰি মোৰো টোপনি নহা বাবে এই পৃথিৱীৰ ওপৰত বিৰক্তি ধৰাটো অযুক্তিসঙ্গত নহয়। ভাবিলো এনেকুৱা এখন ঠাইলৈ যাব নোৱাৰি নে য'ত এই নিষ্ঠুৰ টোপনিৰ ভৰিত তেল টেঙা নঘঁহাকৈ কাল কটাই থাকিব পাৰি? এনে ঠাই স্বৰ্গৰ বাহিৰে এই পৃথিৱীত কতা? আহা আজিয়েই মোক স্বৰ্গলৈ কোন গোসাঁয়ে লৈ যাব। ইত্যাদি কিবা আগ গুৰি নথকা কথা ভাবি থাকোঁতেই, কব নোৱাৰোঁ, কেতিয়া কলা-মলাকৈ মোৰ টোপনি আহিল।

মোৰ চৰাঘৰটো অনুষ্ঠুপীয়া ছন্দত ৰচিত। অর্থাৎ, — চকু দিলে চকুৰোৱা বা গেৰেকানিত চকু পৰা বিধৰ নহয়। মাজে মুৰে এক সকম চলি যোৱাকৈ সজোৱা। কিহেৰে কেনেকৈ সজোৱা তাৰ বর্ণনা দি মোৰ বেচেৰা দুখীয়া চৰানৰ ফেৰাৰ সুখ্যাতি বা অখ্যাতি কৰিবৰ মোৰ মন নাই। এটা বস্তুৰ মাথোন উল্লেখ কৰিবৰ আৱশ্যক। চৰাঘৰৰ বেৰত কেইবাখনো পট বা "ছবি" অৰা আছে। তাৰে এখন ছবিৰ নাম প্রেমৰ বাতৰি (Message of Love)। ছবিখন ইংৰাজী ছবিৰ আৰ্হিত অকা। ছবিৰ বিষয় ঃ এজনী সুন্দৰী গাভৰু ছোৱালীয়ে ৰাতিপুৱা ফুলনি-বাৰীত সোমাই ফুল তুলি কোচত একোচকৈ ভৰাইছে ; তাৰে দুটা এটা ফুল কোচৰ পৰা সৰি মাটিত পৰিছে। মূৰৰ ওপৰত নির্ম্মল নীল আকাশত চিলনী বনাইছে। এনে সময়ত লৰামতীয়া দুষ্ট কামদেউ কৰবাৰ পৰা অকলশৰীয়াকৈ ছোৱালীজনীক পাই তাইৰ কাণত ফুচুফুচ্ কৰে কিবা-বোৰ কৈছে। কি কৈছে কি মেলিছে কোনে জানে? ফুচফুচীয়া কথাৰ, বিশেষ গাভৰু ছোৱালীৰ ফুচ- ফুচীয়া কথাৰ আমি ধাৰ নাখাওঁ। অমুক তমুক কৈছে বুলি সাজি-পাতি কবলৈকো, আমি আগেয়ে সৈ কাঢ়ি থৈছো, কোনো বিধৰে কবি নহওঁ বুলি। ছবিখন দেখা মানুহে কয় বোলে কিবা হেনো প্রেমৰ বাতৰি কৈছে; অর্থাৎ কামদেউ নামৰ সেই থোপোৰা সৰু লৰাটোৰে গাভৰু ছোৱালীজনীৰ কাণত কৈছে হেনো, "অমুকত তোমালৈ এনে ৰূপৰ এনে গুণৰ এটি সুন্দৰ দৰা আছে তোমাক লাগেনে?" আমি কিন্তু বোপাইহে, এনেই কলে নপতিয়াব যদি, লৰাৰজা বা গৌৰীনাথ ৰজাৰ শৰণ দি কৈছোঁ, এই ফুচুফুচীয়া "প্রেমভেম" বুজ নেপাওঁ, তেহেলৈ তহঁতে যিহকে বোল। খনিকৰৰ হাতৰ হেঙ্গুল-হাইতালেৰে অকা ৰমক-জমক নক্সা দহ চাৰিয়েও আৰে, দহ চাৰিক দেখা-দেখি আমিও আনি বেৰত আৰি থৈছোঁ। দোষৰ ভিতৰত আমাৰ গাত এই ফেৰাহে। আমি হোল-গোজ ভকত ইয়াকেহে বুজো, যে ছোৱালীলৈ যদি দৰা বিচাৰিব লাগে, সেই কাম মাক বাপেকৰ; কামদেউক সেই ভাৰ দিলে কোনে? আমি জানো, লৰাৰ কাম হৈছে ওমলা, খোৱা শোৱা আৰু "স্কুলৰ লেচন" পঢ়া; দৰালৈ ছোৱালী, ছোৱালীলৈ দৰা বিচাৰি ঘৰপাতি ফুৰা নহয়। হাততে প্রমাণ লৰাৰ লৰাবুদ্ধি, চৰুক সুধি চাউল বহাবলৈ গৈছে, দৰাৰ বাতৰি বাপেক মাকক নকৈ ছোৱালীৰ আগত কৈছে গৈ। বাপেক-মাকৰ কাষলৈ বা এইবিলাক কথা লৈ এই বালক কামদেউ ঠোকে কেনেকৈ? মৰম- সাহ দি ঠুকিলেও "ল'ৰাৰ মুখত বুঢ়া-কথা! যা ইয়াৰ পৰা গুচি যা।" বুলি বুঢ়া-বুঢ়ীয়ে একেটা ঢেকিঠোৰাৰ মাৰতে পেটুৰা কামদেউৰ পেটু উলিয়াব।

মোৰ চিল্‌মিল্‌কৈ টোপনি আহিল, লগে লগে টোপনিৰ সখী সমাজিকো আহিল। দেখিলো, ছবিখনৰ পৰা সেই উদং-মূদং ফুচ্‌ফুচুৰা লৰাটো আহি মোৰ কাণত ফুচ্‌ফুচাবলৈ লাগিছে। ইকি "তামোচা"! মোৰ খঙে মুৰৰ চুলি পালেগৈ।"হেৰ, মোৰ দেখোন কেতিয়াবাই বিয়া হৈ গল, এতিয়া মোৰ কাণত কি ফুচ্‌ফুচাবৰ দিন আহিছে? একেই এই তিনিপৰীয়া ৰাতিলৈকে টোপনি নাই, ঘামত ছট্‌ফটাই আছো, তাৰ ওপৰত তই আহি

লাগিছহি? কি লৰাই চল পাই যায়, ডাঙৰে সৈতে চুপতি কৰিবলৈ আহিছ!" এই বুলি তাক থেকেচা মাৰি পেলাই দিব খোজোতেই "হে হে কি কৰে, খং কৰিছে নো কৈলৈ? আগেয়ে শুনক মই কি কবলৈ আহিছো, তাৰ পাছত মোৰ গাত দোষ পায় যদি খং কৰিব।" এই বুলি কামদেউ হাত যোৰ কৰি মোৰ আগত থিয় হল। ময়ো লেকাম টানি ধৰি খংটো ৰখাই সি নো কি বক্তৃতা কৰিব খুজিছে, শুনিবলৈ কাণ পাতিলো।

কামদেউ — ককাইদেউ, (ককাইদেউ বুলিয়েই আপোনাক সম্বন্ধ ধৰিলো, খং নকৰিব দেই) আপোনাৰ কষ্ট দেখি থাকিব নোৱাৰি বেৰৰ পৰা নামি ওচৰ চাপি আহিছো যদি মোৰ পৰা কিবা উপকাৰ হয়, এই ভাবি। ৰাতি তিনি বজালৈকে আপোনাৰ চকুত টোপনি নাই ছট্‌ফটাই আছে, মই চকুৰ আগতে দেখি আছো।

মই — মোৰ টোপনি নাহিল যদি নাহিল, তোৰ তাত কি হল? কোনোবা ৰজাৰ জীয়েকৰ বাতৰি কৈ মোৰ চকুৰ পৰা টোপনি একেবাৰেই খেদিবৰ ফিকিৰ কৰি মোৰ ওচৰ চাপিছহি হবলা? সেই ফিকিৰ মোৰ ওচৰত নেখাটে। তই বেৰৰ লৰা বেৰলৈ উঠি যা, গৈ লোকৰ কুমলীয়া ছোৱালীৰ কাণত ফুচ্‌ফুচ্‌-ফাচ্‌ফাচ্‌ কৰি তাইক বলিয়া কৰগৈ। তই মোৰ ভাই বা আন সম্বন্ধীয় নহলি; নপঢ়ি নুশুনি দুষ্টালি কৰি এনেকৈ ফুৰা বাবে নিতৌ তোৰ পিঠিত মই সৌকা মেলিবলৈ নেপালো! গুচ্‌! যা! মোৰ বিয়া হৈ গৈছে, তই মোৰ ঘৰ পাতিব নেলাগে।

কামদেউ — আপোনাৰ বিয়া হৈ গৈছে বুলি মই জানো; মই সেই বাবে আপোনাৰ ওচৰলৈ অহা নাই।

মই — কি বাবে আহিছ বেগাই ক। মাঠি-মুঠি থাকিব নেলাগে। ৰাতি পুৱায়হে লাগে, পাৰোঁ যদি মই অলপ চকু মুদোঁ।

কামদেউ — আপুনি এই পৃথিৱী এৰি স্বৰ্গলৈ যাবলৈ ইচ্ছা কৰিছিল। মোৰ স্বৰ্গ-মৰ্ত্ত্য-পাতাল তিনিও লোকত অব্যাহত গতি। বেছ কথা, আপুনি যদি স্বৰ্গলৈ যায়, তেন্তে বলক মই লৈ যাওঁ। এই কথা কবলৈহে মই আহিছোঁ।

মই — সঁচাকৈয় কৈছনে, নাই মোৰ সৈতে চুপতিহে কৰিছ? চুপতি কৰিছ যদি সোকোতা পাবি, মই কেনে ভকত জনা নাই হবলা?

কামদেউ — ৰাম ৰাম! আপুনি মোৰ ককাইদেউ, আপোনাৰেসৈতে জানো মই চুপতি কৰিব পাৰোঁ? সঁচাকৈ কৈছো, যদি যায় বলক মই লৈ যাওঁ।

মই — যাওঁতো লৈ যাব পাৰ যদি। কিন্তু বৌৰেৰক হলে এৰি যাব নোৱাৰোঁ।

কাম — কিয় বৌক এৰি যাব লাগিছে, তেওঁকো লৈ যামহঁক। কিন্তু এজন এজনকৈহে মই লৈ যাব পাৰিম। পলাই স্বৰ্গত সোমোৱা কথা, দুইকো একে বেলিয়েই লৈ গলে কৰবাত ধৰা পৰিম। পৰিলে আপোনালোকতো অজলা 'নৰ মনিষ" বুলি সাৰিব, মইহে মৰা পৰিম। প্ৰথমতে দুৱৰীয়েই কোবাই মোৰ পিঠিত ছাল ছিঙিব; তাৰ পিছত ইন্দ্ৰৰ আগ পোৱলে নি কি হয় ইন্দ্ৰই হে জানে। আপোনাক আগেয়ে লৈ গৈ স্বৰ্গত থৈ আহোঁগৈ, তাৰ পাছত বৌক লৈ যামহি।

মই — বাৰু তেন্তে। কিন্তু সাৱধানে কৰিবি বোপাই। ভাল-মন্দ তইহে জান। অ' আৰু এটা কথা; মোৰ বই বস্তু সোপা, কি কৰিম? এৰি থৈ যাব হলে নোৱাৰো। মই বোপাই বগা শিলৰ মেজখন কালি হে কিনি আনিছোঁ। মখমলৰ জোতাজোৰা সৰব ন।

কাম — আপোনাৰ বস্তু এটাইবোৰ কেনেকৈ লৈ যাব? ধৰা পৰি মৰিব দিয়েনে? আপুন বলে পৰা এটামান টোপোলাৰ জোখাই বাৰু লয় যদি বান্ধি লওক। বগা শিলৰ মেজ-চেজ এৰক, সেইবোৰ লৈ যাব নোৱাৰে। স্বৰ্গত গৈ আপুনি ঠান্‌-থিত লাগক গৈ, তাতে মই লাহে লাহে বগা শিলৰ মেজ এখনহে নেলাগে দহখন কিনি দিম। মখমলৰ জোতাজোৰ পিন্ধি লওক।

মই — (ভালেমান বেলি ভাবি) বাৰু মোৰ বোপাই তোৰ কথাই ৰওক। কিন্তু এদিন সময় দিব লাগব; আজিয়ে মই যাব নোৱাৰো। কাইলৈ ৰাতিকৈ আমি ঠিক হৈ ওলাই থাকিমহঁক; তই আহি লৈ যাবিহি। মখমলৰ জোতাজোৰ নিপিন্ধো, টোপোলাত সুমাই লম, বাট বেয়া যদি পিন্ধি খোজ কাঢ়িলে সি ফাটিব।

কাম —বাৰু তেন্তে কাইলৈ ঠিক মাজনিশা আহি আগেয়ে আপোনাক লৈ যামহি, তাৰ পাছত বৌক।

মই — এৰা

ইয়াৰ পিছত সমাজিকতে দেখিলো যে 'কাইলৈ মাজ নিশা' হল। যেন সকলো দিহা-পোহা কৰি নিব লগা বস্তু একেটা টোপোলাতে বান্ধি যাবলৈ দুয়ো সাজু হৈ ওলালোঁ। যেন কামদেউ আগৰ দৰেই ছবিটোৰ পৰা নামি আহি আগ ৰাতিৰ কথা মতে মোক আগেয়ে যাবলৈ কলে। যেন মই ধোবাই কাপোৰৰ টোপোলা লোৱা দি বস্তুৰ টোপোলাটো লৈ পিছে পিছে যাবলৈ ধৰিলো।

কিছুমান বেলিৰ মুৰত স্বৰ্গ পালো গৈ। কেনেকৈ কোন আৰু কেনেকুৱা বাটেদি গলো, আৰু যাওঁতে বাটত কি দেখিলো, কি শুনিলো, মোৰ একো মনত নাই। এটা মানুহ দুনুহ নোহোৱা ঘৰত মোক সুমাই দি সি ক'লে, "আপোনাৰ এইটোৰেই বহা, ইয়াতে টোপোলাটো থওক।" তাৰ কথামতে মই টোপোলাটো মাটিত থৈ তাক কলো, "বাৰু মই টোপোলা থলো, তই লৰ মাৰি যা বৌৰেৰক লৈ আহগৈ, মোৰ মনেটোৱে খু-ধুৱাৰ লাগিছে।"

"মই যাওঁ লৰি গৈ আহোঁগৈ" বুলি কামদেউ নাইকিয়া হল।

কামদেউ যোৱাৰ পিছত, "এনেই বহিয়ে আছোঁ, এটা কামকে কৰো" এই ভাবি লাহে লাহে টোপোলাটো মেলি এটা দুটাকৈ বস্তু উলিয়াই মাটিত থৈ যাবলৈ ধৰিলো। কিন্তু কি আচৰিত, বস্তুবোৰ টোপোলাৰ পৰা উলিয়াই থোৱা ঠাইতে কেয়া-আঙ্গুলিটো সোমাব পৰা এটা ফুটা আছিল। মই ভাবিছিলা সেইটো পৰুৱাৰ গাঁত। সেই ফুটাইদি টল্‌ৰ টল্‌ৰ কৰে মোৰ বস্তুবোৰ এটা এটাকৈ সৰকি তলৰ পৃথিৱীলৈ পৰিব লাগিছে দেখোন! মই দেখিতো অবাক! স্বৰ্গখন এনে "বে মেৰামত"কিয়?

ইয়াত পাবসিক্ ওৰৰ্কচ্, লোকেলব'ৰ্ড আৰু মিউনিচিপেলিটী নাইনে কি? কিয় নহব অৱশ্যে আছে। ভাবিলো পাবলিক্-ওৰৰ্কচ্, লোকেলব'ৰ্ড আৰু মিউনিচিপেলিটী-ঢেকিয়ে আমাৰ পৃথিৱীত যেনেকৈ ধান বানে, ইয়াতো সেই দৰেই বানে। তাতো ঢেঙ্কুৰুচ্ ইয়তো সেই ঢেঙ্কুৰুচেই। স্বৰ্গৰ ঢেকি বুলি ঢেঙ্কুৰুচৰ ঠাইত মুৰুলিৰ মাত নেমাতে। অসমীয়া সংস্কৃতজ্ঞ "পণ্ডিতে " কবৰ নিচিনা "দূৰাৎ চ পর্ব্বতা ৰম্যা ওচৰাৎ তু খলা বমা।।" দূৰৰ পৰাহে স্বৰ্গ। এনেখন স্বৰ্গলৈকে আহিবলৈহে মানুহে দান-পুণ্য, হোম-যাগ আদি ইমানবিলাক কষ্ট-সাধ্য কাম কৰি হেপাহ কৰি মৰে। নেলাগে বোপাই মোক স্বৰ্গৰ সুখটো, কামদেউ আহিলে পৃথিৱীৰ লৰা পৃথিৱীলৈ গুচি যামগৈ। তাত টোপনি নোহোৱাকৈ গোটেই ৰাতি খপো সিও ভাল, তেওঁ মই এনে ঢেকি-স্বৰ্গত নেথাকোঁ। — ইমান অকণমান বিন্ধাটোৱেদি নো মোৰ ডাঙৰ ডাঙৰ বস্তুবোৰ কেনেকৈ তললৈ সৰকি পৰিছে ঐ? স্বৰ্গৰ দেখোঁ সকলো কথাই অদ্ভুত।

এই বিলাক ভাবি থাকোঁতেই দেখিলো, মোৰ বস্তু সৰকি পৰি আদখিনীয়া হলেই। আপদকাল উপস্থিত হলে "অর্দ্ধং ত্যজতি পণ্ডিতঃ, অর্দ্ধেন কুৰুতে কার্য্যঃ।" যি গল গল, যি পাৰো তাকে ৰাখোঁ, ভাবি একে দোপেই উঠি ফুটাতোত কেয়া আঙ্গুলি এটা সোমাই সোপা মাৰি ধৰিলো। অলপমান বেলি এই দৰেই ধৰি আছোঁ, কিন্তু ভাবি পোৱা নাই কিহেৰে ফুটাটো একে বেলিয়েই মাৰো। স্বৰ্গলৈ আহি মোৰ বুদ্ধিটোও আকোৱালি নোপোৱা হল নে কি? এনেতে হঠাৎ কাণত পৰিল "লঙ্কা ক'ত ক'ত।" ভাবিলো, স্বৰ্গতো কুকুৰা চৰাই আছে; বেছ কথা সুবিধাই। এই কথা ভাবি থাকোঁতেই দুৱাৰত ঠক্ ঠক্ শব্দ শুনিলো। শুনি মনত হৰিষ মিলিল; ভাবিলো, কামদেউ বৌৱেকে সৈতে উভতিল।

মই— (বিঙ্গিয়াই) দুৱাৰখন হেচা মাৰি দিলেই মেল খাব; ভিতৰৰ পৰাতো মই ডাং দিয়া নাই। মই মেলিবলৈ উঠি যাব নোৱাৰো, গলেই বাকী কেটা বস্তুও সৰকি পৰিব।

লগুৱা — (বাহিৰৰ পৰা) দেউতা চাহ আনিছো।

মোৰ লগুৱাটোৰ মাত যেন শুনিলো। ভাবিলো ইনো স্বৰ্গলৈ আহিল কেনেকৈ? মোৰ দুখ হয় বুলি কামে ইয়াকো আনি থৈ গলহি হবলা। ভালেই হল।

লগুৱা — (বাহিৰৰ পৰা) দেউতা, চাহ আনিছোঁ, ভালেমান বেলি হল, উঠক।

মোৰ চকু দুটা চাঁট কৰে মেল খালে। সাৰ পালো। সাৰ পাই দেখিলো মোৰ সোঁ কাণখনৰ বিন্ধাত সোঁ হাতৰ কেয়া আঙ্গুলিটো সোমাই আছে, আৰু মই মোৰ সেই, চৰা-ঘৰতে শুই আছোঁ।

*** ***** ***

ভৰত-উদ্ধাৰ

লক্ষ্মীনাথ বেজবৰুৱা

ভাৰত উদ্ধাৰ ভাত উদ্ধাৰ নহয় যে তাৰ মাজৰ পৰা "ৰ" টোক গতিয়াই উলিয়াই দি তই মই আপুনি সি ত'ত তেওঁ তেখেতকে আদি কৰি মামৰে-খোৱা ফাপৰে-ধৰা যত যি আছে সকলোৱে কৰিব পাৰে। চিয়ঁৰি ভাৰত উদ্ধাৰ, বাখৰি ভাৰত উদ্ধাৰ, কেপকেপাই ভাৰত উদ্ধাৰ, লেবলেবাই ভাৰত উদ্ধাৰ, ফুচফুচাই ভাৰত উদ্ধাৰ, উচপিচাই ভাৰত উদ্ধাৰ নহয়, নহয়, নহয়। হাতে কলমে কাম কৰা দেখিবা ভাৰত উদ্ধৃত হৈ বৰচাঙৰ ওপৰত উঠি বহি হাঁহি আছে। মুখেৰে ৰাতি সাত হাল বাই থকা সকলৰ পৰা দিনত এহালো বিচাৰি পোৱা নেযায় বুলি বৰবৰুৱাৰ নিচিনা বুঢ়াসকলে কয়। বৰবৰুৱাই সেই লগৰীয়া বুঢ়াসকলৰ নাম সম্প্রতি আজিৰ ৰাতিটোৰ নিমিত্তে পাহৰিছে। কাইলৈ পুৱা লাগে যদি তেওঁবিলাকৰ নাম ধাম গাওঁ ভূঁই তেওঁ ৰাইজৰ আদালতত দাখিল কৰিবলৈ বৰং গাত লব পাৰে। অৱশ্যে এতিয়া পাহৰিবৰ কাৰণ আছে আৰু তেওঁ ইচ্ছা কৰি সজ্ঞানে সুস্থ শৰীৰে আপোন খুচিতে এই কাৰণৰ নিমিত্তে জগৰীয়া। সম্প্রতি তেওঁ ইয়াকে কয় যে এই কাৰণ ভাৰত উদ্ধাৰৰ অর্থে যাত্রাৰ আয়োজন মাথোন। যাত্রাৰ